# দৈনিক অসম

গুৱাহাটী, বৃহস্পতিবাৰ, ১২ ছেপ্টেম্বৰ, ২০২৪ Guwahati, Thursday, September 12, 2024






ছয়গাঁৱৰ নোৱাপাৰা বালিকা প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ প্ৰতিবাদ

## আমাৰ বিদ্যালয় স্থানান্তৰ নকৰিব ঃ মুখ্যমন্ত্ৰীলৈ আহ্বান

নিজা বাতৰি দিওঁতা

**ছয়গাঁও, ১১ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত নোৱাপাৰা বালিকা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ছয়গাঁও শিক্ষাখণ্ডই কোনো জাননী নিদিয়াকৈ ১৯৫০ চনতে স্থাপিত নোৱাপাৰা বালিকা প্ৰাথমিক বিদ্যালয়খন প্ৰায় ৩ কিলোমিটাৰ দূৰত থকা নোৱাপাৰা বালক প্ৰাথমিক বিদ্যালয়ত চামিল *১১ পৃষ্ঠাত চাওক*

## বন্ধ হ'ব শাওঁতলী পুৰণি মাটি মধ্য ইংৰাজী বিদ্যালয় !



নিজা বাতৰি দিওঁতা

**খুমটাই, ১১ ছেপ্টেম্বৰ ঃ** ১৯৯৩ চনতে প্ৰতিষ্ঠা হোৱা গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ শাওঁতলী পুৰণি মাটি মধ্য ইংৰাজী বিদ্যালয়খন এতিয়া বন্ধ হোৱাৰ দিশে গতি কৰিছে। চাহ বাগিচাৰ এই বিদ্যালয়খন বন্ধ হৈ গ'লে ২/৩ কিলোমিটাৰ আঁতৰত থকা বিদ্যালয়খনলৈ পঢ়িবলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব বুলি স্থানীয় চাহ শ্ৰমিকসকলে মন্তব্য কৰিছে। শাওঁতলী অঞ্চলৰ আব্ৰাহম কুমাৰ, দেবেন্দ্ৰনাথ তাঁতী, ভুৱন তাঁতী, ইনমল তাঁতী, নিৰেন তাঁতী, ধনেশ্বৰ কুৰ্মী, বিপুল তাঁতী, অবিন তাঁতীকে ধৰি বহুকেইগৰাকী ব্যক্তি চেষ্টাত শাওঁতলী চাহ বাগিচাত শাওঁতলী পুৰণি মাটি মধ্য ইংৰাজী বিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। সেই সময়ৰপৰাই বিদ্যালয়খনত বিনা বেতনেই শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পাঠদান কৰি আহিছিল। ২০০৫ চনত অসম চৰকাৰৰ শিক্ষা বিভাগৰপৰা বিদ্যালয়খনে স্বীকৃতি লাভ কৰে। এতিয়া একত্ৰীকৰণৰ নাম দি বছৰ বছৰ ধৰি চলি থকা বহু শিক্ষানুষ্ঠানক কাষৰীয়া স্কুলৰ সৈতে সংলগ্ন কৰি দিয়াত শিক্ষাৰ্থী-অভিভাৱকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দূৰ-দূৰণিৰ *১১ পৃষ্ঠাত চাওক*

## আমগুৰি দিকচুত মধ্যাহ্ন ভোজনত কুমজেলেকুৰা

ভুক্তভোগী ছাত্ৰীক চিকিৎসা নকৰোৱাত ক্ষুণ্ণ অভিভাৱক

নিজা বাতৰি দিওঁতা

**আমগুৰি, ১১ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষাখণ্ডৰ অধীনৰ দিকচুমুখ জ্ঞানোদয় মধ্য ইংৰাজী বিদ্যালয়ত মধ্যাহ্ন ভোজনত কুমজেলেকুৰা ওলোৱাক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। *১১ পৃষ্ঠাত চাওক*

শান্তি নিৱাস বৃদ্ধাশ্ৰম

## নেপালী লোকৰ মুখাগ্নি কৰিলে সাংবাদিক মজিবুৰে

জিলাৰ বাতৰি দিওঁতা

**নলবাৰী, ১১ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ চৌদিশে একাংশ লোকে সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্ট কৰি অহাৰ সময়তে আন এক মানৱতাৰ পৰিচয় দাঙি ধৰিলে সাংবাদিক মজিবুৰ ৰহমানে। অসহায় এগৰাকী নেপালী *১১ পৃষ্ঠাত চাওক*



## অসম মালাৰ পথ নিৰ্মাণত ব্যাপক অনিয়ম

আন্তঃবিভাগীয় বুজাবুজিৰ অভাৱত ধনৰ অপচয়

নিজা বাতৰি দিওঁতা

**পশ্চিম দৰং, ১১ ছেপ্টেম্বৰ ঃ** দৰং আৰু কামৰূপ জিলাৰ অতি গুৰুত্বপূৰ্ণ পথ, মঙলদৈৰপৰা দিপীলা-মুক্তাপুৰ হৈ ৰঙিয়ালৈ যোৱা পথটোৰ অসম *১১ পৃষ্ঠাত চাওক*

বৰষুণ দিলেই বোকা-পানীৰে ভৰি পৰে

## মুখ্যমন্ত্ৰীৰ সমষ্টিৰ বেছি ভাগ গ্ৰাম্য পথেই জৰাজীৰ্ণ



নিজা বাতৰি দিওঁতা

**বাইহাটা চাৰিআলি, ১১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী বিধানসভা সমষ্টিৰ বেছি ভাগ গ্ৰাম্য পথেই মেৰামতিৰ অভাৱত জৰাজীৰ্ণ আৰু শোচনীয় ৰূপ লৈছে। বৰষুণ দিলেই বোকা-পানীৰে ভৰি পৰে বাট-পথবোৰ। বিশেষকৈ বেজেৰা উন্নয়ন খণ্ডৰ বৰবংশৰ মৌজাৰ অন্তৰ্গত প্ৰতিখন গাঁৱৰ মাজেৰে যোৱা বাট-পথসমূহৰ অধিকাংশৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। যোৱা তিনি বছৰ মান ধৰি মেৰামতি নকৰাৰ ফলত অধিক জৰাজীৰ্ণ ৰূপ লৈছে গ্ৰাম্য পথবোৰে। উল্লেখ্য যে *১১ পৃষ্ঠাত চাওক*

## বৰপেটাত চি পি আই (এম)ৰ অৱস্থান ধৰ্মঘট

স্মাৰক-পত্ৰ প্ৰদান



জিলাৰ বাতৰি দিওঁতা

**বৰপেটা, ১১ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ কিছু জ্বলন্ত সমস্যা শীঘ্ৰে সমাধান কৰি ৰাইজক সকাহ দিয়াৰ দাবী জনাই আজি চি পি আই (এম)ৰ বৰপেটা আঞ্চলিক সমিতিয়ে বৰপেটাত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তদুপৰি দলটোৱে জিলা আয়ুক্তক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। উক্ত স্মাৰক পত্ৰত উল্লেখ কৰা হৈছে যে জলজীৱন আঁচনিৰ যোগেদি যি সময়ত ৰাজ্য চৰকাৰে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে কোটি কোটি টকা খৰচ কৰি আছে, সেই সময়ত বৰপেটা চহৰত বিশুদ্ধ খোৱাপানীৰ তীব্ৰ সংকট চলি আছে। বিগত তিনি বছৰতকৈ অধিক সময় ধৰি বৰপেটা চহৰ এলেকাত চৰকাৰীভাৱে বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা বিকল হৈ আছে। অতি দৰিদ্ৰ পৰিয়ালবোৰেও *১১ পৃষ্ঠাত চাওক*

গোৰেশ্বৰ মহাবিদ্যালয়ত বিজ্ঞান গৃহ উদ্বোধন

## দেশ নিৰ্মাণত পৰিশ্ৰমী আৰু দূৰদৰ্শী হ'ব লাগিব ঃ প্ৰমোদ বড়ো



নিজা বাতৰি দিওঁতা

**গোৰেশ্বৰ, ১১ ছেপ্টেম্বৰ ঃ** 'দেশ নিৰ্মাণ কৰিবলৈ হ'লে পৰিশ্ৰমী আৰু দূৰদৰ্শী হ'ব লাগিব। তাৰ অবিহনে দেশৰ একো উন্নতি নহয়।'— এই মন্তব্য বি টি আৰৰ চি ই এম প্ৰমোদ বড়োৰ। আজি তামুলপুৰ জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ, গোৰেশ্বৰ মহাবিদ্যালয়ত তিনি কোটি টকা ব্যয়সাপেক্ষে বিজ্ঞান বিভাগৰ গৃহ এটি উদ্বোধন কৰি প্ৰমোদ বড়োৱে কয়, 'অসমৰ *১১ পৃষ্ঠাত চাওক*

## যান-বাহন পঞ্জীয়ন কেলেংকাৰী সন্দৰ্ভত বঙাইগাঁৱত আৰক্ষীৰ সংবাদমেল




এতিয়ালৈ পাঁচজন অভিযুক্তক গ্ৰেপ্তাৰ

নিজা বাতৰি দিওঁতা

**বঙাইগাঁও, ১১ ছেপ্টেম্বৰ ঃ** যান-বাহন পঞ্জীয়নৰ নামত বঙাইগাঁও জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ত সংঘটিত কেলেংকাৰী সন্দৰ্ভত চলাই থকা তদন্ত সম্পৰ্কে আজি আবেলি বঙাইগাঁও সদৰ থানাত জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সবিতা দাসে এখন সংবাদমেল *১১ পৃষ্ঠাত চাওক*

কৃষকে পোৱা নাই জলসিঞ্চনৰ সুবিধা

## জালাহত বৰষুণৰ অভাৱত পথাৰত ছিঁৰাল ফাট



নিজা বাতৰি দিওঁতা

**জালাহ, ১১ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিন ধৰি বৰষুণৰ অভাৱত পথাৰত ছিঁৰাল ফাট মেলিছে। বৃহত্তৰ জালাহ অঞ্চলৰ শ শ বিঘা সেউজীয়া ধান খেতি ৰঙা পৰি শুকাই যাব ধৰিছে। ধানবোৰ ডিলধৰাৰ সময়তে পথাৰ পানীৰ অভাৱত ছিঁৰাল ফাট মেলাত অপতৃণেৰে ভৰি *১১ পৃষ্ঠাত চাওক*

## ভৱানীপুৰ-সৰভোগ, পাকা-বেতবাৰীত শালি খেতি কৰিবপৰা নাই কৃষকে

আবদ্ধ পানীত বুৰ গৈ আছে কৃষিভূমি



নিজা বাতৰি দিওঁতা

**সৰুপেটা, ১১ ছেপ্টেম্বৰ ঃ** ভৱানীপুৰ-সৰভোগ আৰু পাকা-বেতবাৰী সমষ্টিৰ কৃষক ৰাইজ খৰাংসদৃশ পৰিস্থিতি আৰু কৃত্ৰিম *১১ পৃষ্ঠাত চাওক*

## তেজপুৰ কন্যা মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

জিলাৰ বাতৰি দিওঁতা

**তেজপুৰ, ১১ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ উদ্যোগত আজি 'পৰ্যটন শিক্ষা আৰু ইয়াৰ সম্ভাৱনীয়তা' বিষয়ক বক্তৃতানুষ্ঠান সম্পন্ন হয়। বক্তৃতানুষ্ঠানটোত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰ্যটন বিভাগৰ সহযোগী অধ্যাপক ডঃ নিৰঞ্জন দাসে। আমি বাস কৰা প্ৰতিখন গাঁৱতে পৰ্যটনৰ সমল নিহিত আছে বুলি উল্লেখ কৰি বিদ্যাৰ্থীসকলক নিজে বাস কৰা গাঁওখনৰ পৰ্যটনৰ বৈশিষ্ট্যৰাজি চিহ্নিত কৰি জনমানসত *১১ পৃষ্ঠাত চাওক*

ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ শোক প্ৰকাশ

## প্ৰাক্তন আছু নেতা ইনামূল হকৰ মৃত্যু



জিলাৰ বাতৰি দিওঁতা

**ধুবুৰী, ১১ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন মুখ্য সাংগঠনিক সম্পাদক, বিশিষ্ট অধিবক্তা, সদৌ দেশী জনগোষ্ঠী জাতীয় সংসদৰ সভাপতি ইনামূল হকৰ আজি পুৱা প্ৰায় ৭.৩০ বজাত ধুবুৰী মেডিকেল কলেজ হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল প্ৰায় ৫৫ বছৰ। জাতীয়তাবোধ আৰু খিলঞ্জীয়াৰ ক্ষেত্ৰত কোনোপধ্যেই আপোচ নকৰা পশ্চিম অসমৰ এইগৰাকী বলিষ্ঠ নেতাৰ দেহাৱসানে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে। অবিভক্ত ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা নিবাসী, প্ৰয়াত ইমদাদুল হক আৰু হামিদা বেগমৰ পুত্ৰ ইনামূল হক স্কুলীয়া ছাত্ৰ *১১ পৃষ্ঠাত চাওক*


শীঘ্ৰে মেৰামতি নকৰিলে আন্দোলনৰ ভাবুকি শিক্ষাৰ্থীৰ

## জৰাজীৰ্ণ কানহাৰা-আচলপাৰা-টপাৰপথাৰ সংযোগী পথ



নিজা বাতৰি দিওঁতা

**নগৰবেৰা, ১১ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ অন্তৰ্গত কানহাৰা-আচলপাৰা হৈ টপাৰপথাৰ সংযোগী গড়কাপ্টানি পথটো জৰাজীৰ্ণ, বিধ্বস্ত হৈ পৰাত শেহতীয়াকৈ কেইবাখনো গাঁৱৰ সৰ্বসাধাৰণ ৰাইজক যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভোগাইছে। উল্লেখযোগ্য যে পথটো চৰকাৰে কিছু বছৰ পূৰ্বে নিৰ্মাণ কৰিছিল যদিও বিভাগীয় ঠিকাদাৰে নিম্নমানৰ সা-সামগ্ৰী ব্যৱহাৰ কৰাৰ লগতে নিৰ্মাণৰ সময়ত কেতবোৰ দুৰ্নীতি-অনিয়ম সংঘটিত কৰাত কেইবছৰমান পাছতে পথটো ঠায়ে ঠায়ে জহি-খহি গৈ জৰাজীৰ্ণ হয়। সম্প্ৰতি পথটোৰ ঠায়ে ঠায়ে প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে। এই ব্যস্ত পথটো মেৰামতি কৰিবলৈ স্থানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদক বাৰম্বাৰ দাবী আবেদন, নিবেদন জনোৱাৰ পাছতো আজিলৈকে কোনো ব্যৱস্থা *১১ পৃষ্ঠাত চাওক*



### প্ৰদূষণ-সূচক

১১ ছেপ্টেম্বৰ, ২০২৪
(শেহতীয়া ২৪ ঘণ্টাৰ গড়)

| নগৰ/চহৰ | সূচকাংক মান | বায়ুৰ গুণাগুণ |
|---|---|---|
| গুৱাহাটী | ৫৮ | সন্তোষজনক |
| নলবাৰী | ৬৪ | সন্তোষজনক |
| নগাঁও | ৫৮ | সন্তোষজনক |
| শিৱসাগৰ | ৫৫ | সন্তোষজনক |
| শিলচৰ | ৫০ | ভাল |

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

## তিনি সাংসদক সম্বৰ্দ্ধনা নগাঁও জিলা কংগ্ৰেছৰ

কৰ্মচাৰীক কৰা ব্যৱহাৰক লৈ মুখ্যমন্ত্ৰীক সকীয়নি গৌৰৱ গগৈৰ

জিলাৰ বাতৰি দিওঁতা

**নগাঁও, ১১ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ তিনিটা লোকসভা সমষ্টি ক্ৰমে যোৰহাট, নগাঁও আৰু ধুবুৰীৰপৰা নিৰ্বাচিত কংগ্ৰেছৰ তিনিগৰাকী সাংসদ ক্ৰমে গৌৰৱ গগৈ, প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইনক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যেৰে আজি নগাঁও জিলা *১১ পৃষ্ঠাত চাওক*

### বড়মপুৰৰ বিধায়ক জিতু গোস্বামীক শুদাই নেৰে সাংসদ ৰকিবুল হুছেইনে !

আদালতৰ কাষ চপাৰ হুংকাৰ

জিলাৰ বাতৰি দিওঁতা

**নগাঁও, ১১ ছেপ্টেম্বৰ ঃ** প্ৰাক্তন মন্ত্ৰী তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন আৰু বিজেপি বিধায়ক জিতু গোস্বামীৰ *১১ পৃষ্ঠাত চাওক*


পাঞ্জাব নেচনেল বেংক
punjab national bank
(ভাৰত চৰকাৰৰ অধীনস্থ)

চক্ৰ কাৰ্যালয় : গুৱাহাটী, নীলগিৰি মেনচন, ভঙাগড়, গুৱাহাটী-৭৮১০০৫, অসম

ৰাজহুৱা জাননী

**পাঞ্জাব নেচনেল বেংক, লাখটকীয়া, গুৱাহাটী আৰু অম্বিকাগিৰী নগৰ শাখাৰ লকাৰসমূহৰ ব্ৰেক অপেন**

ইয়াৰ জৰিয়তে পাঞ্জাব নেচনেল বেংকে অৱগত কৰে যে আমাৰ লাখটকীয়া, গুৱাহাটী (ডি. নং ০৪০২১০) শাখাত ১টা আৰু অম্বিকাগিৰী নগৰ (ডি. নং ১৩৯৬২০) শাখাত ১টা লকাৰ আছে য'ত ৩ বছৰ আৰু অধিক সময়ৰ বাবে লকাৰ ভাড়া অনাদায় হৈ আছে। বেংকে জাননী / ৰিমাইণ্ডাৰ জাৰি কৰাৰ জৰিয়তে আদায়ৰ ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু শাখাৰ দ্বাৰা এই পৰ্যন্ত কোনো দাবী / যোগাযোগ লাভ কৰিব পৰা নাই। গতিকে বেংকৰ নীতি অনুসৰি তলত উল্লিখিত লকাৰৰ ব্ৰেক অপেন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

| ক্ৰ. নং. | শাখাৰ নাম | লকাৰ নম্বৰ | নাম | ঠিকনা |
|---|---|---|---|---|
| ১ | লাখটকীয়া, গুৱাহাটী | AA69 | অমিত কুমাৰ দাগা | ফ্লেট নং ৫০৩, মহাবীৰ এপাৰ্টমেণ্ট, কনকলতা পথ, নাৰায়ণ নগৰ, ভৰলু, গুৱাহাটী, অসম, পিন-৭৮১০০৯ |
| ২ | অম্বিকাগিৰী নগৰ | AA14M1 | নিয়াজুৰ ৰহমান | ঘৰ নং ১৭, হেদায়েৎপুৰ, গুৱাহাটী ক্লাব, গুৱাহাটী, অসম, পিন-৭৮১০০৩ |

লীজধাৰী / দাবীদাৰ, কোনোবা থাকিলে, তেওঁলোকক পাঞ্জাব নেচনেল বেংক, লাখটকীয়া, গুৱাহাটী শাখা আৰু অম্বিকাগিৰী নগৰ শাখাত এই জাননী প্ৰকাশৰ ১৫ দিনৰ ভিতৰত তেওঁলোকৰ দাবীৰ সমৰ্থনত সকলো প্ৰয়োজনীয় প্ৰমাণ / নথি আদি সহ যোগাযোগ কৰিবলৈ জনোৱা হ'ল অন্যথা বেংকে ব্ৰেক অপেন প্ৰক্ৰিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব।

তাৰিখ : ১২/০৯/২০২৪

উপ-চক্ৰ মুৰব্বী
চক্ৰ কাৰ্যালয়, গুৱাহাটী



**ASSAM ELECTRICITY REGULATORY COMMISSION**
A.S.E.B. Campus, Dwarandhar
G.S. Road, Sixth Mile, Guwahati- 781022
e-mail : aerc_ghy@hotmail.com Phone : (0361) 2334442 Fax : (0361) 2334432

**TENDER NOTICE**
**NIT No. 7/2024**

No. AERC.885/2023/Pt/115 Dated Guwahati the 11th September, 2024

Sealed bids affixed with non-refundable court fee stamp of Rs. 8.25/- (rupees eight and twenty five paisa) only are invited from the government registered firms for designing, editing and printing a book by 20.09.2024 up to 2 PM. The interested firms may collect the tender documents and terms and conditions from office of the Assam Electricity Regulatory Commission during the office hours or can be downloaded from the website **http://aerc.gov.in/**

Duly filled Bid containing detail particulars and price under one sealed cover super scribing the NIT No. 7/2024 will be received up to 2.00 PM of 20.09.2024. The bids will be opened on the same day i.e. on 20.09.2024 at 3.00 PM. Bid received after the due date and hours and the Bid sent through FAX/Email shall not be considered.

AERC is not bound to accept the lowest offer and reserves the right to reject any/ all the tenders or portions thereof without assigning any reason whatsoever. Bidders having past experience in similar line will be preferred.

**Sd/- Secretary**
**Assam Electricity Regulatory Commission**



**শিৱালিক স্মল ফাইনেন্স বেংক লিমিটেড**
পঞ্জীকৃত কাৰ্যালয় ঃ ৫০১, ছেলকন আৰুম, জাছোলা ডিষ্ট্ৰিক্ট চেণ্টাৰ, নতুন দিল্লী- ১১০০২৫
CIN : U65900DL2020PLC366027

নিলাম জাননী

শিৱালিক স্মল ফাইনেন্স বেংক লিমিটেডৰ নিম্নোল্লিখিত ঋণীসকলক ইয়াৰ জৰিয়তে অৱগত কৰা হয় যে তেওঁলোকে বেংকৰ পৰা লাভ কৰা স্বৰ্ণ ঋণ/ বোৰ বিভিন্ন ধৰণৰ দাবীৰ পিছতো এডজাষ্ট কৰা নহ'ল আৰু বেংকৰ দ্বাৰা ব্যক্তিগত জাননীকে ধৰি জাননী জাৰি কৰা হ'ল। ইয়াৰ জৰিয়তে সকলো ঋণীক অৱগত কৰা হয় যে বেংকৰ ওচৰত প্ৰতিভূতি হিচাপে থকা স্বৰ্ণ অলংকাৰবোৰ ২৫/০৯/২০২৪ৰ বিয়লি ০৩.০০ বজাত নিলামৰ দিন ধাৰ্য কৰি য'ৰ পৰা ঋণ লাভ কৰিছিল সেই শাখাত নিলামৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ঋণীসকল, একাউণ্টধাৰীসকলকে ধৰি সকলো আৰু জনসাধাৰণে নিলামৰ চৰ্তাৱলী সাপেক্ষে নিলামত অংশগ্ৰহণ কৰিব পাৰে।

| শাখা | একাউণ্ট নং | একাউণ্টধাৰীৰ নাম | পিতৃ / সংগীৰ নাম | ঠিকনা | একাউণ্ট খোলাৰ তাৰিখ | পেঅফ |
|---|---|---|---|---|---|---|
| জুবিলী হিলছ | 101042519174 | দীপমণি ডেকা | মাৰফৎ প্ৰদীপ ডেকা | নৈনে, উৰিয়াগাঁও, নগাঁও অসম, ৭৮২১০১ | 02/12/2023 | 65319.67 |

নিলামৰ তাৰিখ ২৫/০৯/২০২৪ @ বিয়লি ০৩.০০ বজা

কোনো পূৰ্ব জাননী নিদিয়াকৈ নিলামৰ পৰা কোনো একাউণ্ট লুপ্ত বা নিলাম বাতিল কৰাৰ অধিকাৰ সংৰক্ষিত থাকিব।

কৰ্তৃত্বশীল বিষয়া, শিৱালিক স্মল ফাইনেন্স বেংক লিমিটেড